## জিলা লেখিকা সমাৰোহ সমিতিৰ প্ৰচেষ্টা

# বঙাইগাঁও চহৰত ই-লাইব্ৰেৰী উদ্বোধন

বঙাইগাঁও, ১৩ মে' ঃ আজি বঙাইগাঁও জিলা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত বঙাইগাঁও বিশ্ববিদ্যালয়ৰ সভাকক্ষ আৰু বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ পুথিভঁৰাল কক্ষত দুখন ই-লাইব্ৰেৰী উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। 'ত্ৰাত্ৰী' গ্ৰুপৰ সঞ্চালক ত্ৰিদীপ বৰুৱাৰ সহযোগত বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক তৰণী কান্ত ডেকা আৰু বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ উপাধ্যক্ষ গগন চন্দ্ৰ শৰ্মাই ই-লাইব্ৰেৰী দুটা উদ্বোধন কৰি বঙাইগাঁও জিলা লেখিকা সমাৰোহ সমিতিৰ শলাগ লয়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বঙাইগাঁও জিলা সমিতিয়ে ই-লাইব্ৰেৰী উদ্বোধন কৰি ইতিহাস ৰচনা কৰা বুলি দুয়ো উল্লেখ কৰে। দুয়োটা অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী জ্যোৎস্নাপ্ৰিয়া দেৱী, বঙাইগাঁও জিলা লেখিকা সমাৰোহ সমিতিৰ সদস্যাৰত্ন যামিনী দেৱী, সদস্যাৰত্ন ইন্দুমতী শইকীয়া সিংহ, সদস্যাৰত্ন অৰুণা চক্ৰবৰ্তী, জিলা সমিতিৰ একাংশ সদস্যা আৰু বঙাইগাঁও বিশ্ববিদ্যালয়ৰ কেইবাগৰাকী ডিন, শিক্ষক-শিক্ষয়িত্ৰী, বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকল। অনুষ্ঠানৰ আঁত ধৰে বঙাইগাঁও জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা মঞ্জুপ্ৰভা বৰুৱা আৰু বঙাইগাঁও বিশ্ববিদ্যালয়ৰ ডিন বনদীপ শৰ্মাই। শলাগৰ শৰাই আগবঢ়ায় লেখিকা সমাৰোহ সমিতিৰ জিলাৰ সম্পাদিকা মঞ্জুপ্ৰভা বৰুৱাই।